# আনন্দৰাম ঢেকিয়াল ফুকন



# আনন্দৰাম ঢেকিয়াল ফুকন

মুখ্য সম্পাদক
**পদ্মকান্ত শৰ্মা**

সম্পাদক
**অৰিন্দম বৰকটকী**
**অজিত ভৰালী**

# আনন্দৰাম ঢেকিয়াল ফুকন আৰু অসমৰ ইতিহাসৰ আধুনিক যুগ

## ভবেন বৰুৱা

শ্ৰদ্ধেয় উপস্থিত শ্ৰোতামণ্ডলী, আজিৰ এই সভাখনৰ শ্ৰদ্ধেয় সভাপতি ডাঙৰীয়া আৰু আনন্দৰাম ঢেকিয়াল ফুকন স্মাৰক বক্তৃতালানিৰ আয়োজন কৰা সংশ্লিষ্ট উদ্যোগী সতীৰ্থসকল—

আৰম্ভণিতেই 'আনন্দৰাম ঢেকিয়াল ফুকন স্মাৰক বক্তৃতা' শীৰ্ষক এলানি চিন্তাধৰ্মী বক্তৃতাৰ পৰিকল্পনা এটা উলিওৱা আৰু গ্ৰহণ কৰা সংশ্লিষ্ট ব্যক্তিসকলৰ শলাগ লৈছোঁ আৰু এই বক্তৃতালানিৰ আৰম্ভণিৰ বক্তৃতাটো প্ৰদান কৰিবলৈ আমাক নিমন্ত্ৰণ জনোৱাৰ বাবে তেখেতসকললৈ আমাৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছোঁ।

মোৰ বক্তৃতাটোৰ বিষয় হ'ল— 'আনন্দৰাম ঢেকিয়াল ফুকন আৰু অসমৰ ইতিহাসৰ আধুনিক যুগ।' এই বক্তৃতাটোত মোৰ চিন্তাৰ পৰিপ্ৰেক্ষিতটো হ'ল বিশেষভাৱেই মূলতঃ ইতিহাস চিন্তাৰ পৰিপ্ৰেক্ষিত আৰু এটা পাৰ্শ্বৱৰ্তী ৰূপতহে দৰ্শনৰ প্ৰসঙ্গটোও আহিছে।

১৮২৯ চনত জন্ম গ্ৰহণ কৰা আনন্দৰামে ১৮৩৭ চনতে ইতিমধ্যে গুৱাহাটীত স্থাপিত 'ইংলিছ চেমিনাৰী'ত ছাত্ৰ হিচাপে ভৰ্তি হোৱাৰ সুবিধাখিনিও পাইছিল। এনে সুবিধা পোৱা অসমীয়া ছাত্ৰও প্ৰথম তেৱেঁই হৈছিল বুলি হয়তো ক'ব পাৰি। ইংৰাজী তেওঁ আঠ বছৰ বয়সৰপৰাই শিকিছিল বুলি ধৰিব পাৰি আৰু পিছত তেওঁ কলিকতাৰ হিন্দু কলেজত এই ধৰণৰ এবিধ ইংৰাজীকেন্দ্ৰিক শিক্ষা ব্যৱস্থাৰ পথতে আগবাঢ়িছিল। হিন্দু কলেজত সোমোৱা অসমীয়া ছাত্ৰও তেৱেঁই আছিল প্ৰথম। ১৮৪১ চনত অৰ্থাৎ বাৰ বছৰ বয়সতে তেওঁক কলিকতালৈ পঠোৱা হয় আৰু বাৰ বছৰৰপৰা পোন্ধৰ বছৰলৈ

তেওঁ হিন্দু কলেজত শিক্ষা লাভ কৰে। আনন্দৰাম হিন্দু কলেজলৈ যাবপৰাৰ মূলত আছিল দুজন ইংৰাজ—জেনকিন্স আৰু মেথী চাহাবৰ উদগনি। তেওঁ ১৮৪১ চনৰপৰা ১৮৪৪ চনলৈ হিন্দু কলেজত আছিল আৰু ১৮৪৪ চনত তেওঁ গুৱাহাটীৰ ঘৰলৈ ঘূৰি আহিবলগা হয়।

আন এটা আৱহৰ কথাও তেওঁৰ ছাত্ৰ জীৱনৰ প্ৰসঙ্গত আমি লক্ষ্য কৰিব পাৰোঁ। তেওঁৰ মনত সৃষ্টি হোৱা ইংৰাজীকেন্দ্ৰিক তৰপটোৰ তলত আনন্দৰামৰ শিশুমনে আয়ত্ত কৰা আন এটা তৰপো আছিল। "পাছ বছৰ বয়সৰপৰা তেওঁ উমানন্দৰ যশোধৰ অধ্যাপকৰ ওচৰত 'ৰত্নমালা ব্যাকৰণ' আৰু 'মুগ্ধবোধ ব্যাকৰণ'ৰ যোগেৰে সংস্কৃত পঢ়িছিল।" অৰ্থাৎ কম বয়সতে পোন্ধৰ বছৰ বয়স হওঁতেই আনন্দৰামৰ মনৰ মাজত এটা দুই-তৰপীয়া বা দুই-খলপীয়া শিক্ষাজীৱনৰ পোহৰখিনি সঞ্চিত হৈছিল। এই কথাটোও যোগ কৰি ল'ব পাৰি— "আনন্দৰাম ঢেকিয়াল ফুকন সৰুৰেপৰা চোকা বুদ্ধিৰ ল'ৰা। ১৮৪৪ চনত কলিকতাৰপৰা ঘৰলৈ ঘূৰি আহোঁতে তেওঁ 'ভালেমান ইংৰাজী আৰু সংস্কৃত কিতাপ' কিনি আনিছিল।" এই দুটা ঘটনাও তেওঁৰ জীৱনৰ আটাইতকৈ মূল্যবান তাৎপৰ্যৰ ঘটনা বুলি মই ক'ব খোজোঁ। আনন্দৰামৰ মনৰ 'আধুনিকতা' সৌভাগ্যক্ৰমে এটা দুই-খলপীয়া মনৰে আধুনিকতা হৈছিল আৰু এটা প্ৰখৰ বুদ্ধিসম্পন্ন আৰু অধ্যয়ন-পিপাসু, জ্ঞান-পিপাসু মনৰো আধুনিকতা হৈছিল।

অসমৰ 'আধুনিক' যুগটোৰ প্ৰথম ব্যক্তি, প্ৰথম প্ৰতিনিধি হৈছিল আনন্দৰাম ঢেকিয়াল ফুকন। তেৱেঁই হৈছিল আধুনিক মনটোৰ প্ৰতিনিধিত্ব কৰিব পৰা প্ৰথম অসমীয়া। আনন্দৰাম ঢেকিয়াল ফুকনৰ নামটোৰে যে তুলনাৰ বাবে ভাৰতৰ ইতিহাসৰ যুগটোৰ প্ৰথম নায়ক ৰাজা ৰামমোহন ৰায়ৰ নামটোকো বহুতৰে ৰচনাত, ইতিহাস-চিন্তাত টানি আনিছে সেই কথাটোৰ নেপথ্যত সত্য আছে— এটা গুৰুত্বপূৰ্ণ সত্য।

'আধুনিক মন' এবিধ পোহৰভৰা মন। মানুহৰ কল্যাণ আৰু প্ৰগতি বিচৰা এটা পোহৰমুখী মন। এই মনটো তাৰ যথাৰ্থ চৰিত্ৰটোত শক্তিমুখী মন নহয়। জ্ঞানমুখী-সত্যমুখী মন আৰু ভয়ৰ ঠাইত অভয়ক গুৰুত্ব দিয়া এই মনটো মূলত ঃ শক্তিৰ ঠাইত প্ৰেমতত্ত্বকে আশ্ৰয় কৰিবলৈ আগবাঢ়িব পৰা এটা মনো।

এই কথাটোত সেয়ে আচৰিত হ'বলগীয়া একো নাই যে ভাৰতৰ আধুনিক যুগটোৰ প্ৰথম নায়ক ৰাজা ৰামমোহন ৰায়ে ইতিমধ্যে বিস্মৃতিৰ গৰ্ভত হেৰাই যোৱা, লুকাই পৰা উপনিষদীয় যুগটোকো ভাৰতৰ ইতিহাসত আকৌ পোহৰলৈ আনিবলৈ সংগ্ৰাম কৰিছিল। এই পথতে এবিধ ভাৰতীয়ৰ মনে আকৌ শুনিছিল সেই আকুল বাণী— 'অসতো মা সৎ গময়-তমসো মা জ্যোতিৰ্গময়।'

হয়, আনন্দৰাম ঢেকিয়াল ফুকনে ৰাজা ৰামমোহন ৰায়ৰ দৰে অসমীয়ালৈ 'উপনিষদ'

তেওঁ হিন্দু কলেজত শিক্ষা লাভ কৰে। আনন্দৰাম হিন্দু কলেজলৈ যাবপৰাৰ মূলত আছিল দুজন ইংৰাজ—জেনকিন্স আৰু মেথী চাহাবৰ উদগনি। তেওঁ ১৮৪১ চনৰপৰা ১৮৪৪ চনলৈ হিন্দু কলেজত আছিল আৰু ১৮৪৪ চনত তেওঁ গুৱাহাটীৰ ঘৰলৈ ঘূৰি আহিবলগা হয়।

আন এটা আৰুহৰ কথাও তেওঁৰ ছাত্ৰ জীৱনৰ প্ৰসঙ্গত আমি লক্ষ্য কৰিব পাৰোঁ। তেওঁৰ মনত সৃষ্টি হোৱা ইংৰাজীকেন্দ্ৰিক তৰপটোৰ তলত আনন্দৰামৰ শিশুমনে আয়ত্ত কৰা আন এটা তৰপো আছিল। "পাছ বছৰ বয়সৰপৰা তেওঁ উমানন্দৰ যশোধৰ অধ্যাপকৰ ওচৰত 'ৰত্নমালা ব্যাকৰণ' আৰু 'মুগ্ধবোধ ব্যাকৰণ'ৰ যোগেৰে সংস্কৃত পঢ়িছিল।" অৰ্থাৎ কম বয়সতে পোন্ধৰ বছৰ বয়স হওঁতেই আনন্দৰামৰ মনৰ মাজত এটা দুই-তৰপীয়া বা দুই-খলপীয়া শিক্ষাজীৱনৰ পোহৰখিনি সঞ্চিত হৈছিল। এই কথাটোও যোগ কৰি ল'ব পাৰি— "আনন্দৰাম ঢেকিয়াল ফুকন সৰুৰেপৰা চোকা বুদ্ধিৰ ল'ৰা। ১৮৪৪ চনত কলিকতাৰপৰা ঘৰলৈ ঘূৰি আহোঁতে তেওঁ 'ভালেমান ইংৰাজী আৰু সংস্কৃত কিতাপ' কিনি আনিছিল।" এই দুটা ঘটনাও তেওঁৰ জীৱনৰ আটাইতকৈ মূল্যবান তাৎপৰ্যৰ ঘটনা বুলি মই ক'ব খোজোঁ। আনন্দৰামৰ মনৰ 'আধুনিকতা' সৌভাগ্যক্ৰমে এটা দুই-খলপীয়া মনৰে আধুনিকতা হৈছিল আৰু এটা প্ৰখৰ বুদ্ধিসম্পন্ন আৰু অধ্যয়ন-পিপাসু, জ্ঞান-পিপাসু মনৰো আধুনিকতা হৈছিল।

অসমৰ 'আধুনিক' যুগটোৰ প্ৰথম ব্যক্তি, প্ৰথম প্ৰতিনিধি হৈছিল আনন্দৰাম ঢেকিয়াল ফুকন। তেৱেঁই হৈছিল আধুনিক মনটোৰ প্ৰতিনিধিত্ব কৰিব পৰা প্ৰথম অসমীয়া। আনন্দৰাম ঢেকিয়াল ফুকনৰ নামটোৰে যে তুলনাৰ বাবে ভাৰতৰ ইতিহাসৰ যুগটোৰ প্ৰথম নায়ক ৰাজা ৰামমোহন ৰায়ৰ নামটোকো বহুতৰে ৰচনাত, ইতিহাস-চিন্তাত টানি আনিছে সেই কথাটোৰ নেপথ্যত সত্য আছে— এটা গুৰুত্বপূৰ্ণ সত্য।

'আধুনিক মন' এবিধ পোহৰভৰা মন। মানুহৰ কল্যাণ আৰু প্ৰগতি বিচৰা এটা পোহৰমুখী মন। এই মনটো তাৰ যথাৰ্থ চৰিত্ৰটোত শক্তিমুখী মন নহয়। জ্ঞানমুখী-সত্যমুখী মন আৰু ভয়ৰ ঠাইত অভয়ক গুৰুত্ব দিয়া এই মনটো মূলত ঃ শক্তিৰ ঠাইত প্ৰেমতত্ত্বকে আশ্ৰয় কৰিবলৈ আগবাঢ়িব পৰা এটা মনো।

এই কথাটোত সেয়ে আচৰিত হ'বলগীয়া একো নাই যে ভাৰতৰ আধুনিক যুগটোৰ প্ৰথম নায়ক ৰাজা ৰামমোহন ৰায়ে ইতিমধ্যে বিস্মৃতিৰ গৰ্ভত হেৰাই যোৱা, লুকাই পৰা উপনিষদীয় যুগটোকো ভাৰতৰ ইতিহাসত আকৌ পোহৰলৈ আনিবলৈ সংগ্ৰাম কৰিছিল। এই পথতে এবিধ ভাৰতীয়ৰ মনে আকৌ শুনিছিল সেই আকুল বাণী— 'অসতো মা সৎ গময়-তমসো মা জ্যোতিৰ্গময়।'

হয়, আনন্দৰাম ঢেকিয়াল ফুকনে ৰাজা ৰামমোহন ৰায়ৰ দৰে অসমীয়ালৈ 'উপনিষদ'

অনুবাদ কৰা নাছিল। কিন্তু আনন্দৰামৰ মনৰ মাজত এবিধ সমধৰ্মী পোহৰমুখী আকুলতা আৰু আধুনিকতা সঞ্চাৰিত হৈছিল— ৰাজা ৰামমোহন ৰায়ৰ পথতেই। উনৈশ শতিকাৰ প্ৰথমাৰ্দ্ধৰ ভিতৰত, সেই সময়ত নতুন এটা চৰিত্ৰ গঢ় লৈ উঠা কলিকতা নগৰীত (তেতিয়াও ই 'মহানগৰ' হোৱা নাছিল) ইতিমধ্যে স্থাপিত হিন্দু কলেজৰ প্ৰথম ছাত্ৰ হিচাপেই তেওঁ কিছুকাল জীৱন অতিবাহিত কৰিছিল। ঐতিহাসিক আৰু জীৱন কাহিনীমূলক পৰিপ্ৰেক্ষিতটোত আনন্দৰামৰ জীৱনৰ সেই 'হিন্দু কলেজ' মূলক অধ্যায়টোকো ভালদৰে গুৰুত্ব দিয়াৰ প্ৰয়োজন বুলি মই ভাবোঁ। এটা নতুন নগৰ-চেতন পোহৰমুখী আধুনিক মনো তেওঁ বিশেষভাৱে হিন্দু কলেজতে পাইছিল অথচ এটা প্ৰাচীন উপনিষদীয় চৰিত্ৰৰ ভাৰতীয় আৰ্য মনৰ ৰামমোহনী প্ৰেৰণা তেওঁৰ মনত সোমাব পাৰিছিল।

আনন্দৰাম ঢেকিয়াল ফুকনৰ প্ৰসঙ্গত লক্ষ্য কৰিবলগীয়া 'আধুনিক' মনটোৰ প্ৰসঙ্গৰ চৰিত্ৰব্যঞ্জক এটা ডাঙৰ কথা উল্লেখ কৰিব পাৰি। ব্ৰিটিছ শাসনৰ অসমত যি ধৰণৰ ভূমি-নীতি তেওঁ বিচাৰিছিল সি আছিল কৃষককেন্দ্ৰিক নীতি, জমিদাৰকেন্দ্ৰিক নাইবা আহোম যুগৰ ডা-ডাঙৰীয়াসকলে বিচাৰিব পৰা নীতি নাছিল। বঙ্গদেশত ব্ৰিটিছে প্ৰৱৰ্তিত কৰা বিধৰ জমিদাৰতন্ত্ৰৰ পথটো আনন্দৰামে সমৰ্থন কৰা নাছিল আৰু ব্ৰিটিছ অসমত জমিদাৰতন্ত্ৰৰ ঠাইত 'ৰায়তৱাৰী' ব্যৱস্থা প্ৰৱৰ্তিত হোৱাৰ প্ৰক্ৰিয়াটোৰ লগত আনন্দৰামৰ চিন্তাৰ সম্পৰ্কটো আছিল সদৰ্থক চৰিত্ৰৰ। এই চিষ্টেমটোৰ সমৰ্থনত আগবাঢ়িলেও আমি ভাৰতৰ ইতিহাসৰ প্ৰাচীন আৰ্য সমাজৰ উপনিষদ তথা বৌদ্ধ ধৰ্মৰ গণতন্ত্ৰৰ যুগটোও পাবগৈ পাৰোঁ।

যথাৰ্থ 'আধুনিক' মনৰ এটা তাৎপৰ্যপূৰ্ণ লক্ষণ হ'ল শক্তিৰ ক্ষেত্ৰটোক দুৰ্বল কৰা নীতিৰ ওচৰত আশ্ৰয়। ৰাষ্ট্ৰশক্তিৰ ক্ষেত্ৰটোক আৰু ৰাজনীতিৰ ক্ষেত্ৰটোকো non-military আৰু non-political বা supra-political culture অৰ নিয়ন্ত্ৰণেৰে বান্ধিবলৈ বিচৰা মনৰ লক্ষণ। ৰাজনৈতিক আৰু সামৰিক শক্তিৰ প্ৰতিনিধিত্ব কৰা এবিধ অভিজাত শ্ৰেণী বা এবিধ মানুহে নিয়ন্ত্ৰণ কৰি ৰখা সমাজ আৰু দেশবোৰত সেই 'আধুনিক' মনটোৰ পৰিচয় অনুজ্বল বা দুৰ্লভ। মধ্যপ্ৰাচ্যৰ ইছলামিক দেশবোৰত—ছাদ্দামৰ দেশত—পাকিস্তানত গণতন্ত্ৰৰ 'আধুনিক' মনৰ ধাৰাটো দুৰ্বল হৈ ৰ'ল এই কাৰণেই যে শক্তিজীৱী কৰ্তৃত্বজীৱী শাসনজীৱী ফিউডেল ঐতিহ্যৰে এবিধ মানুহৰ মনৰ শক্তিধৰ্মই সিবোৰত সবল সক্ৰিয় হৈ ৰ'ল। ঢেকিয়াল ফুকনৰ আগতে শঙ্কৰ-মাধৱৰ ধাৰাটোৰ পিছত বহুত দিনলৈ যি ধৰণৰ মানুহবোৰ অসমৰ ইতিহাসত 'নেতা' হৈছিল, 'বীৰ' হৈছিল বা প্ৰখ্যাত হৈছিল তেওঁলোক আছিল প্ৰধানকৈ ৰাজনৈতিক শক্তিৰ পথৰ মানুহ। (নহ'লে লাচিত বৰফুকনৰ দৰে প্ৰধানকৈ যুদ্ধক্ষেত্ৰৰো মানুহ) পূৰ্ণানন্দ বুঢ়াগোহাঞি, বদনচন্দ্ৰ বৰফুকন আৰু তেওঁলোকৰ সোঁৰে-বাঁৱে থাকিব পৰা ডা-ডাঙৰীয়াসকল সামৰিকতাধৰ্মী ব্যৱস্থাৰে

অসমীয়া কৃষকসকলক আৰু কাৰিকৰসকলক হেঁচি ৰখা এটা মানসিকতাৰ এবিধ সামৰিক চৰিত্ৰৰ শক্তিজীৱী শাসক শ্ৰেণী আৰু তাৰে অনুগত হৈ থকা এবিধ শক্তিজীৱী বৰ্ণহিন্দু। আনকি মণিৰাম দেৱানো—যদিও তেওঁ 'অৰ্থনৈতিক' আৰু 'ঔদ্যোগিক' বিকাশৰ চিন্তাকো প্ৰতিনিধিত্ব কৰিব পৰা এজন নেতা হৈছিল— এটা অৰ্থত হৈ ৰৈছিল সেই অনাধুনিক আৰু শক্তিজীৱী এবিধ শাসক শ্ৰেণীৰো প্ৰতিনিধি। 'ৰাজনীতি'য়েই আছিল সেই অভিজাত শ্ৰেণীটোৰ ৰক্তত থকা কেন্দ্ৰীয় ভাষা। ক'ব পাৰি — 'It was hag-ridden with politics...All aristocracies are obsessed politically' (Witness *Henry IV, Parts One and Two Henry V)'* Allen Tate, *The Man of Letters in the Modern World (pp 310-311)*সেই যুগটো এই কাৰণেই 'আধুনিক' যুগ আছিল। সামৰিকতাবাদ (Militarism) অভিজাততন্ত্ৰৰ সহোদৰ।

শঙ্কৰদেৱ আৰু মাধৱদেৱৰ পিছত ওলোৱা অসমীয়া সমাজৰ নেতাসকলৰ ভিতৰত আনন্দৰাম ঢেকিয়াল ফুকনেই আছিল প্ৰথমজন বিখ্যাত মানুহ— যি 'ৰাজনৈতিক শক্তি' বিচৰা নেতা হোৱা নাছিল।

ভাৰতৰ স্বাধীনতা সংগ্ৰামৰ প্ৰথম যুদ্ধখন আৰু দ্বিতীয় যুদ্ধখনৰ মাজত থকা ডাঙৰ পাৰ্থক্যটোও আছিল এইটোৱেই যে ইতিমধ্যে ভাৰতত চলা ইংৰাজ শাসনৰ লগত অহা ইংৰাজ ঐতিহ্যৰ শ্বেক্সপীয়েৰ, মিল্টন, ৱৰ্ডচৱৰ্থ আদিৰ দৰেই ইংৰাজৰ আইন ব্যৱস্থা আৰু Liberalism অৰ প্ৰভাৱতে এনে এবিধ 'আধুনিক' মানসিকতাৰ মানুহো ভাৰতত ইতিমধ্যে ওলাইছিল— যিসকলে ভাৰতীয় সভ্যতাৰ ইতিহাসৰো এটা প্ৰাচীন আৰ্যধৰ্মী গণতন্ত্ৰী ব্যাখ্যালৈ গৈছিল। ৰবীন্দ্ৰনাথৰ *A Vision of Indian History*ৰপৰা নেহৰুৰ *Discovery of India* লৈ এই পথটো আমি দেখা পাম। অৰ্থাৎ ভাৰতীয় সমাজখনেও জ্ঞানৰ পথত দৰ্শনৰ পথত 'শক-হুন দল-মোগল-পাঠান-আহোম-ৰাজপুত'ৰ autocratic ৰাজতন্ত্ৰ তথা পাইক-ব্যৱস্থা আদিৰ ঠাইত উপনিষদীয় বৌদ্ধ তথা যুগৰ এবিধ আৰ্য গণতন্ত্ৰী দৰ্শনৰ পথটোও ঘূৰাই পাইছিল। সেইকাৰণে মণিৰাম দেৱানে আহোম ৰজাক লৈ চলাবলৈ লোৱা স্বাধীনতাৰ প্ৰথম যুদ্ধখনৰ লগত গান্ধী আৰু নেহৰু — এই দুজন ইংৰাজী পথত ওলোৱা বেৰিষ্টাৰৰ নেতৃত্বত চলা ভাৰতৰ স্বাধীনতা সংগ্ৰামৰ দ্বিতীয় পৰ্বটোৰ লগত এটা ডাঙৰ পাৰ্থক্য আছিল। ইতিমধ্যে 'আধুনিক' মনটোৱে অন্তত এটা দূৰত্বলৈ ভাৰতীয় সমাজত দেখা দিছিল আৰু আধুনিক ভাৰতীয় সমাজখনক এবিধ নতুন ধৰণৰ মনৰ মানুহেই নেতৃত্ব দিবলৈ ধৰিছিল। 'স্বৰ্গদেউ' বিচৰা মনৰ ধাৰা এইটো নাছিল। অসমত এই প্ৰক্ৰিয়াটোৰ প্ৰথমজন নায়ক হৈছিল মণিৰাম দেৱান নহয় আনন্দৰাম ঢেকিয়াল ফুকন।

বিশ্ব ইতিহাসত এটা 'নতুন যুগ' ইতিমধ্যে আহিছিল। বহু শতিকাজুৰি আন্ধাৰৰ

মাজলৈ গুচি যোৱা শক্তিহীন হৈ পৰা 'আৰ্য' যুগটো বিশ্ব ইতিহাসত আকৌ ঘূৰি আহিছিল। অন্তিমত এনে পৰিপ্ৰেক্ষিততেহে— হেৰম্বকান্ত বৰপূজাৰীয়ে কোৱা 'Ahom monarchy a lost cause' *(Assam in the Days of the Company)* কথাটো গ্ৰহণ কৰিব পাৰি।

অসমৰ আচল 'আৰ্যভাষী-আৰ্যধৰ্মী' জনতাইও সৃষ্টিজীৱী জনতাইও পিয়লি ফুকনৰ 'আহোম ৰাজত্ব' ঘূৰাই আনিবলৈ বিচৰা প্ৰচেষ্টাখিনিত সঁহাৰি নিদিলে। আনকি মণিৰাম দেৱানৰ প্ৰচেষ্টাখিনিতো।

> 'His utter indifference to the earlier movements and to the cause of Maniram may be explained by the fact that he had lost all faith in a monarchy and its supporters that had discredied themselves by mismanagement, oppression and betrayal at the hour of worst peril...*Major Jenkins who had rightly gauged this feeling* was, therefore, averse from the outset to the retention of a pocket of Native rule... After the resolution of the Government of India to assume the responsibility of upper Assam, wholly and directly, he, *naturally, looked upon the masses as the bulwork of British administration.' (H.K. Barpujari, Assam in the Days of the Company 1826- 1858, p.186)*

আহোম যুগৰ শক্তিজীৱী ডা-ডাঙৰীয়াসকলৰ শ্ৰেণীটোক-সমাজখনক এৰি আচল 'আৰ্যধৰ্মী' অসমীয়া জনতাৰ সমাজখনক যি গুৰুত্বটো জেনকিন্স আদিয়ে দিছিল আনন্দৰাম ঢেকিয়াল ফুকনৰ 'আধুনিক' মনটোও তাৰে সমৰ্থক হৈছিল। অসমীয়া জনতা আহোম যুগৰ সমৰধৰ্মী 'পাইক' ব্যৱস্থাৰপৰা মুক্ত হৈ 'ৰায়তৱাৰী' ব্যৱস্থালৈ অহাৰ বাটটো ওলাইছিল। সেই 'ৰায়তৱাৰী' ব্যৱস্থাটোৰ মূলত আছিল আচল আৰ্য যুগটোৰ ভাৰতীয় আৰ্য বৈশ্য কৃষকবৰ্গৰ পথটো।

> 'The ancient (Aryan) system of peasant proprietorship' (G.C. Pande : *Foundation of Indian Culture : Dimensions of Ancient Indian Social History, p.84)*

চুকাফাৰ দিনৰপৰা চলি অহা এবিধ শাসকবৰ্গ তথা ডাঙৰীয়াৰ 'ৰাজনীতি'কেন্দ্ৰিক মানসিকতাৰ ঠাইত 'সমাজনীতি'কেন্দ্ৰিক ৰক্ষা 'অৰ্থনৈতিক' প্ৰগতিকেন্দ্ৰিক 'সাংস্কৃতিক আধুনিকতা'কেন্দ্ৰিক মানসিকতাৰ ধাৰাটো বেছি মূল্যবান আৰু গুৰুত্বপূৰ্ণ বুলি এচাম নতুন অসমীয়াই উপলব্ধি কৰিবলৈ ধৰিছিল। এওঁলোকেই ব্ৰিটিছ যুগত ওলোৱা 'অসমীয়া

মধ্যবিত্ত শ্ৰেণী'টোৰো নেতৃত্ব বহন কৰিছিল আৰু আনন্দৰাম ঢেকিয়াল ফুকন হৈছিল এই ধাৰাটোৰ প্ৰথম প্ৰতিনিধি।

আহোম শাসন আৰু ব্ৰিটিছৰ যুগৰ আধুনিক পথৰ শাসনৰ মাজত এক গুৰুত্বপূৰ্ণ পাৰ্থক্য আছিল।

> 'The people, who had been subjected for centuries to severe punishments, could not but look up with a sigh of relief to the *Company's Law Courts as the most humane*. This was eloquently expressed even by Maniram when he said : 'By stoppage of such cruel practices as of extracting, cutting off the nose and ears...the British government has earned for itself inestimable praise and renown'. (H.K. Barpujari, *Assam in the Days of the Company, p.196)*

ভাৰতৰ আচল আৰ্যধৰ্মী মানসিকতাৰ পথত এনেবোৰ কাণ্ড চলা নাছিল। সেই 'আৰ্যধৰ্মী' মানসিকতাৰ ঐতিহ্যটো শঙ্কৰ-মাধৱৰ ধৰ্ম-সংস্কৃতিৰ পথটোৱেহে অসমত এই ৰূপত জীয়াই ৰাখিছিল। এতিয়া নতুন যুগটোত সি এটা নতুন মুক্তিৰ পথো পাবলৈ ধৰিছিল। 'আৰ্যধৰ্মী' নতুন ব্যৱস্থাই আহোম যুগৰ ডা-ডাঙৰীয়াসকলৰ দাসপ্ৰথা আৰু পাইকপ্ৰথাৰো অন্ত পেলাইছিল। আচল সৃষ্টিজীৱী-আৰ্যধৰ্মী অসমীয়া জনতাক কৰাৰ প্ৰয়োজনটো 'আহোম ৰাজত্ব' ৰক্ষা কৰা প্ৰচেষ্টাতকৈ ইতিহাসেও বেছি গুৰুত্বপূৰ্ণ বুলি দেখুৱাইছিলগৈ।

> 'The authorities in Assam felt it necessary particularly after the annexation of upper Assam, to inspire people with confidence that they were not going to be left to the mercies of their enemies, and that the British were determined to stay in Assam. The strenght of the British Raj could be best demonstrated by the erection of masonary structure which was considered in those days as a priviledge of the royalty alone.' (Ibid, p. 196)

'মহাৰাণীৰ শাসন' অন্ততঃ আহোম 'স্বৰ্গদেউসকলৰ শাসন'ৰ তুলনাত অসমৰ সৃষ্টিজীৱী জনতাৰ বাবে বহুগুণে মূল্যৱান বুলি প্ৰমাণিত আৰু বিবেচিত হ'বলৈ ধৰিছিল।

ইংলেণ্ডৰ উত্থানো আছিল বিশ্ব-ইতিহাসত এটা নতুন আৰ্যযুগৰে-উত্থান, আৰ্যধৰ্মী মানসিকতাৰ ঐতিহ্যটোৰ পুনৰুত্থান। ইয়াত নাঙল-চলোৱা কৃষক শ্ৰেণীটো সন্মানৰ পাত্ৰ আৰু ইংলেণ্ডৰ ইতিহাসেও দেখুৱাব যে তাত 'yeoman' নামৰ কৃষক শ্ৰেণীটোৰ অৱস্থান কেনে গোপন অথচ কেন্দ্ৰীয় তাৎপৰ্যৰ। (শ্বেক্সপীয়েৰো ওলাইছিল এনে এটা সামাজিক

ধাৰাতে)। কৃষি, শিল্প, বাণিজ্যৰ পথটোক মূল্য দিয়া একালৰ আচল ভাৰতীয় 'আৰ্য' (অৰ্থাৎ 'বিশ'ৰূপী আৰ্যসকলৰ) যুগটো যেন ভাৰতত ব্ৰিটিছ যুগত বিশেষভাৱে কিছুমান অঞ্চলত ঘূৰি আহিছিল। যিবোৰ অঞ্চলত বিশেষকৈ 'ৰায়তৱাৰী' ব্যৱস্থা (জমিদাৰী প্ৰথাৰ ঠাইত) প্ৰৱৰ্তিত হৈ পৰিছিল। এই ক্ষেত্ৰত কাৰ্যক্ষেত্ৰত ব্ৰহ্মপুত্ৰ উপত্যকাতো একালত প্ৰাক্ আহোম যুগত থকা প্ৰাচীন 'আৰ্যধৰ্মী' কৃষক সমাজখনৰ সামাজিক অৰ্থনৈতিক ঐতিহ্যটোৱে পুনৰ সংস্থাপনৰ কাম চলিছিল বুলিও ক'ব পাৰি।

শক-হুন দল-মোগল-পাঠান-ৰাজপুত-আহোম যুগটোৰ ঠাইত এটা আৰ্যধমী যুগ আহিছিল। ভাৰতৰ ইতিহাসৰ যি পৰ্বটোক কে. এম. পানিক্কৰেও তেওঁৰ *A Survey of Indian History* গ্ৰন্থখনত 'The Great Recovery' আখ্যা দিছে। সেই পৰ্বটোৰ অসমীয়া সমাজৰপৰা ওলোৱা 'প্ৰথম' প্ৰতিনিধি হৈছিল আনন্দৰাম ঢেকিয়াল ফুকন। আনন্দৰাম ঢেকিয়াল ফুকনেই প্ৰথম আধুনিক অসমীয়া যি 'আধুনিক' যুগৰ বাবে অসমীয়া জাতিক উপযোগী কৰিবলৈ ভাষা, শিক্ষা, অৰ্থনীতি (কৃষি, শিল্প, উদ্যোগ, বাণিজ্য), মানৱধৰ্মী আইন (*Blackstone* অৰ গ্ৰন্থ), ইতিহাস তত্ত্ব (বিশ্বইতিহাস (ইংলেণ্ড), ভাৰত ইতিহাস, অসম ইতিহাস), নগৰায়ন আৰু নাৰীমুক্তিৰ প্ৰসঙ্গ—এই সকলোবোৰ প্ৰসঙ্গ স্পৰ্শ কৰিছিল।

চুকাফাৰ ত্ৰয়োদশ শতিকাৰপৰা মানদেশৰ বদৌচাৰ ঊনৈশ শতিকাৰ আৰম্ভণিৰ সময়লৈকে অসমত ৰাজত্ব চলাইছিল অসমৰ পূবৰপৰা অহা মঙ্গোলীয় পথৰ ৰাজনৈতিক শক্তিয়েই। এইচ. জি. ৱেলচৰ বিশ্ব ইতিহাসে দেখুৱাব কি সূত্ৰত কেনেকৈ কেতিয়াৰপৰা কেতিয়ালৈ বিশ্ব-ইতিহাসত ভাৰতকে ধৰি একালত আৰ্যভাষী সমাজবোৰৰ ওপৰত এটা বিপৰ্যয় নাইবা অন্ধকাৰৰ যুগ নামি আহিছিল। ভাৰতত পছিমফালৰপৰাও গুপ্ত যুগৰ পিছৰেপৰা বিশেষভাৱে পৰাক্ৰমী হৈ অহা শক-হুন দল মোগল-পাঠানৰ দল আহি ভাৰতৰ ইতিহাসত এটা নতুন অধ্যায় সৃষ্টি কৰিছিল। আৰ্য ভাৰতৰ আগৰ পোহৰখিনি হেৰাই গৈছিল। উপনিষদ আৰু বৌদ্ধধৰ্মৰ যুগটোৰ পোহৰভৰা ভাৰতবৰ্ষই তেতিয়া এটা সুকীয়া চৰিত্ৰ ল'বলৈ ধৰিছিল। বিশ্ব-ইতিহাসত এই প্ৰক্ৰিয়াটোতেই ইউৰোপৰ খ্ৰীষ্টান আৰ্য সমাজবোৰক বিপৰ্যস্ত কৰি ইতিমধ্যে স্পেইন আদিলৈকে মধ্য প্ৰাচ্যৰ চেমিটিক তথা ইছলামিক ধাৰাটো শক্তিশালী হৈ পৰিছিল। অসমৰ পছিম দিশত যি ত্ৰয়োদশ শতিকাত অৰ্থাৎ যি সময়ত বখতিয়াৰুদ্দিন খিলজিৰ সেনাদল উপস্থিত হৈছিল প্ৰায় সেই সময়তে অসমৰ পূব দিশত চুকাফাও দলে-বলে উপস্থিত হৈছিল। এই গোটেই প্ৰক্ৰিয়াটো আছিল বিশ্ব-ইতিহাসৰ মঞ্চত পূবে-পছিমে একালৰ 'আৰ্যভাষী' সমাজবোৰৰ প্ৰতিমুখে মধ্যপ্ৰাচ্যৰ চেমিটিক ইছলামী প্ৰাধান্যৰ শক্তিয়ে নাইবা মধ্যপ্ৰাচ্য তথা পূবৰ মঙ্গোলীয় ৰাজনৈতিক শক্তিয়ে জয়লাভ কৰাৰ প্ৰক্ৰিয়া। চেংগিজ খান আদিৰো যুগ আছিল সেইটো।

এই প্ৰক্ৰিয়াটো এটা সীমাত পছিমত প্ৰতিহত হৈ ঘূৰি যায়— যেতিয়া আৰ্যভাষী আৰু খ্ৰীষ্টান ইউৰোপীয় শক্তিয়ে প্ৰথমতে স্পেইনৰপৰা ইছলামী মধ্যপ্ৰাচ্যৰ ৰাজনৈতিক শক্তিক আঁতৰাবলৈ ধৰে, কিন্তু ঊনৈশ শতিকাৰ আৰম্ভণিলৈকে গ্ৰীচে এটা যুগ ধৰি তেনে ৰাজনৈতিক শক্তিৰ অধীনতে পৰাধীন হৈ পৰিছিল।

যি আৰ্যভাষী তথা খ্ৰীষ্টান পাশ্চাত্যৰ নৱোদিত শক্তিয়ে ঊনৈশ শতিকাৰ আৰম্ভণিৰ শেষত গ্ৰীচকো মধ্য প্ৰাচ্যৰ মঙ্গোলীয়-তুৰ্ক চেমিটিক শক্তিৰপৰা মুক্ত কৰিবলৈ সংগ্ৰাম কৰিছিল সিয়েই আহি ঊনৈশ শতিকাৰ আৰম্ভণিত আৰ্যভাষী অসমক প্ৰথমতে মঙ্গোলীয় মানসকলৰ অত্যাচাৰৰপৰা ৰক্ষা কৰিছিলহি। এই প্ৰক্ৰিয়াটোত মঙ্গোলীয় উৎসৰ 'স্বৰ্গদেউ'তত্ত্ব (চীন জাপানতো সম্ৰাটক 'স্বৰ্গৰ দেৱতা' স্বৰূপ বুলি ভবা হৈছিল) আৰু অসম সামৰিকতাবাদী পথেৰে আহোম 'পাইক ব্যৱস্থা'ৰপৰা অসমীয়া সমাজখনক মুক্ত কৰি ক্ৰমে আহোম যুগৰ দাস-দাসীসকলকো মুক্তি দি অসমীয়া গোহাঁই-ফুকনৰ নেতৃত্বৰ ডা-ডাঙৰীয়াৰ শ্ৰেণীটোক শক্তিহীন কৰি জেনকিন্স, ডেভিদ স্কট আদিয়ে অসমৰ ইতিহাসত যেন ভাৰত-ভাগ্যবিধাতাৰ এটা নিৰ্দেশেই পালন কৰিছিলহি। আনন্দৰাম ঢেকিয়াল ফুকনেই হৈছিল মানসিকভাৱে এই প্ৰক্ৰিয়াটোক স্পষ্টভাৱে সমৰ্থন কৰা প্ৰথম গুৰুত্বপূৰ্ণ অসমীয়া।

আনন্দৰাম ঢেকিয়াল ফুকনৰ হৃদয়-মনৰ মাজত যি এবিধ আকুলতা সৃষ্টি হৈছিল সি আছিল পোহৰমুখী-জ্ঞানমুখী-প্ৰগতিমুখী। অসমলৈ এটা 'আধুনিক যুগ' অহাটো যেন তেওঁ মনে-প্ৰাণে বিচাৰিছিল। তেৱেঁই প্ৰথম অসমীয়া যি 'স্বৰ্গদেউ' সকলৰ যুগটোলৈ ঘূৰি যাবলৈ বিচৰা নাছিল আৰু সেই যুগটোৰপৰা মুক্তি পাবলৈ পাইক ব্যৱস্থা আৰু ডা-ডাঙৰীয়াসকলৰ 'সামৰিক' নিয়ন্ত্ৰণৰপৰা মুক্তি পাবলৈ বিচাৰি থকা সৃষ্টিজীৱী অসমীয়া জনতাৰ গোপন মনটোৰো প্ৰতিনিধি হৈছিল।

যিমানেই আমি আহোম যুগৰে প্ৰতিনিধি হৈ থকা পূৰ্ণানন্দ বুঢ়াগোহাঁই আৰু বদনচন্দ্ৰ বৰফুকনৰপৰা গৈ আহোম যুগৰ সূৰ্যাস্তৰ সময়ত আন এটা অৱস্থানত ওলোৱা মণিৰাম দেৱানলৈ যাওঁ, আমি ৰাজনৈতিক শক্তিৰ প্ৰসঙ্গৰ উপৰি শিল্পোদ্যোগক গুৰুত্ব দিয়া এবিধ মানুহৰ ওচৰলৈ যাওঁ। আনন্দৰাম ঢেকিয়াল ফুকনলৈ যাওঁতে আমি 'ৰাজনৈতিক শক্তি'ৰ পথটোৰপৰা এক নতুন পথলৈয়ে যাওঁ। এই পথটোৱেই আধুনিক মনৰ পথ আছিল। আনন্দৰাম ৰাজনৈতিক শক্তি বিচাৰি কাম কৰা নাছিল আৰু ৰাজনৈতিক শক্তিৰ পথত তেওঁ ওলোৱাও নাছিল। অসমত ওলোৱা নতুন মধ্যবিত্ত শ্ৰেণীটো আনন্দৰাম ঢেকিয়াল ফুকনৰ মৃত্যুৰ (১৮৫৯) সময়ৰেপৰা এক প্ৰকাৰে ১৯২১ চনৰ আগলৈ ৰাজনৈতিক শক্তিৰ আদৰ্শটোৰ দূৰতে আছিল। এছ'চিয়েচনতে অৱশ্যে ৰাজনীতিৰ আদৰ্শটো আহিছিল আৰু ১৯২১ চনত যি ৰাজনীতিৰ আদৰ্শটো আহিছিল সিও আছিল মূলতঃ আসাম এছ'চিয়েচনৰ চৰিত্ৰৰে—মূলতঃ 'সামৰিক' শক্তিৰ লগত জড়িত ৰাজনীতি নহয়। ই আছিল

'আধুনিক' হোৱা লিবাৰেল মনৰ পথৰ ৰাজনীতি। 'লিবাৰেলিজম' আধুনিকতাৰ এটা অঙ্গ। বিশ্ব ইতিহাসত আৰ্যধৰ্মী মন আৰু সামাজিক ধাৰাৰ পুনৰুত্থানৰ পথতহে এই নতুন যুগটো আহিছিল।

আচল 'আৰ্যধমী' মানসিকতাৰ উত্থানৰ লগত আচল পোহৰমুখী 'আধুনিক' মানসিকতাৰ উত্থানৰ প্ৰক্ৰিয়াটো কেনেভাৱে জড়িত? এই প্ৰশ্নটোও এইখিনিতে অৱশ্যে তুলিব পাৰি। এনে প্ৰশ্নৰ উত্তৰ হিচাপেই আমি সুনীতিকুমাৰ চট্টোপাধ্যায়ৰ এই কথাখিনি ল'ব পাৰোঁ।

> 'এ দেশের দ্রাবিড়েরা সভ্যতায়, জাতিতে ও সম্ভবত ভাষায় গ্রীস অঞ্চলের আয়েগীয় বা ঈজীয় জাতির জ্ঞাতি ছিল...। অধোলোকের দেবতাবৃন্দের কল্পনা ছিল মুখ্যত ঈজীয় জাতির নিকটপ্রাপ্ত। ইন্দো-ইউরোপীয় বা আর্যজাতির মধ্যে দৈবী শক্তির সম্বন্ধে যে ধারণা গড়িয়া উঠে, তাহার মূল কথা হইতেছে যে প্রকৃতির পঞ্চভূতের মধ্যে রূপগ্রহণ করিয়া থাকেন অথচ দ্যুলোকে বা আকাশের উর্দ্ধে মানবাকারে অবস্থান করেন এখন দেব ও দেৱীগণ মানুষের বন্ধুরূপেই বিরাজ করেন। দেবগণ হইতেছেন মানবসখা, বা মানবসুহৃৎ, ইহা-ই এই ধারণার মূল কথা, সব জাতির মধ্যে ওই রকম উচ্চ চিন্তা গড়িয়া উঠে নাই। অন্য অনেক জাতির মধ্যে দেবতা সম্বন্ধে এই রূপবোধ দেখা যায় দেবতারা সদায় মানবের হিংসার জন্যে উন্মুখ, পূজা খাওয়াইয়া তাহাদের খুশি করিয়া সরাইয়া দেওয়ার চেষ্টাই মানুষের মুখ্য ধর্মানুষ্ঠান হইয়া থাকে। আর্যধর্মের মূল কথা এই লাতিন বচনে ধরা হইয়াছে— do, ut des 'দো, উৎ দেস', অর্থাৎ 'দদামি উত দদাসি' তোমাই দিতেছি, যাহাতে তুমিও দিবে, আর আর্যেতর ধর্মের মূল কথা এইভাবে প্রকাশিত হইয়াছে— do, ut abeas 'দো, উৎ আবএস', অর্থাৎ 'দদামি উত অপযাসি', তোমায় দিতেছি, যাহাতে তুমি চলিয়া যাইবে'।

আয়ুসখুলস (Aeschylus) — এর দেবশক্তি সম্বন্ধে বোধ মুখ্যত এই ইন্দো-ইউরোপীয় ধারণার উপরে প্রতিষ্ঠিত।... সাহিত্যজগতে ট্রেজেদি নাটকের রূপটিও শিল্প সর্জনার দিকে তাহার একটি বিশিষ্ট দান। মানুষকে অন্তর্মুখী করিতে, তাহাকে বিপদে দুঃখে শক্তি দিতে, অটল রাখিতে, যে জিনিস এই আড়াই হাজার বৎসর সাহায্য করিয়াছে, তহার মূল্য কম নহে।

আয়ুসখুলস সর্বত্র বিশ্বপিতা দৌষ্পিতার সত্তা ও তাহার মঙ্গল হস্ত দেখিতেছেন, এবং সেই দর্শন বা উপলব্ধিতে প্রতিষ্ঠিত হইতে পারিয়াছিলেন বলিয়া তাহার সম্বন্ধে গীতার উক্তি মনে পরে—'যং লবদ্ধ চাপরং লাভম মন্যতে নাধিকং

ততঃ।' (সুনীতিকুমার চট্টোপাধ্যায়, 'সাংস্কৃতিক', চতুর্থ খণ্ড, পৃঃ ৩৭-৩৯।

এই কাৰণেই 'ঋত'ৰ ধাৰণাটোও আৰ্যধৰ্মৰ-আৰ্য সংস্কৃতিৰ ধৰণী স্বৰূপ হৈ আছিল। এই ধাৰণাটো বিশ্বৰ সাংস্কৃতিক ইতিহাসত আৰ্যধৰ্মী সংস্কৃতিৰে বৈশিষ্ট্য।

> 'Rta is a fundamental concept of Indian culture. Bloomfield in his *Religion of the Veda* says that rta' is unquestionably the best conception that has been elaborated by the Aryans' (p.126) (N.A. Nikam, *Some Concepts of Indian Culture*, p.5).

বিশ্ব ইতিহাসত সেয়ে, সঙ্গীত আৰু কবিতাৰ ঐতিহ্যটোও আৰ্যধৰ্মী পথৰে। সঙ্গীতৰ গভীৰ ঐতিহ্যটোৰ বোধ মঙ্গোলীয়সকলৰ সভ্যতাত দেখা নাযায়— এইটো আছিল ৰবীন্দ্ৰনাথৰ কথা। কবিতাৰ শেষ পৰ্যায়ৰ 'গভীৰ' ঐতিহ্যটোৰ বোধো দেখা নাযায় বুলি ক'ব পাৰি।

> 'মঙ্গোলীয় মহাজাতির কৃতিত্ব এ বিষয়ে খুব লক্ষণীয় নয়। চীনাদের অত বিরাট আর অত প্রাচীন সভ্যতা, কিন্তু তাদের মধ্যে—উঁরচুদরের কাব্যময় দেবকাহিনী বা বীরকাহিনী অথবা পৌরাণিক উপাখ্যান তেমন গড়ে ওঠেনি। ভারতে আগত চীন ভোট মোঙ্গোল জাতির নানা শাখার মধ্যে বিদ্যমান লোক-সাহিত্যের পুরা উদ্ধার এখনও হয়নি। কিন্তু এ পর্যন্ত মধ্যে থেকে বেশ বড় দরের জিনিস কিন্তু পাওয়া যায় নি'। (সুনীতিকুমার চট্টোপাধ্যায়, ভূমিকালিপি, পৃঃ ৬২)।

গুৰুত্বপূৰ্ণ 'আৰ্যধৰ্মৰ পথটোৰ লগত আৰ্য-ভাষাৰ ঐতিহ্যবোৰৰো ডাঙৰ সম্পৰ্ক আছে। ঊনৈশ শতিকাৰ অসমত আনন্দৰাম ঢেকিয়াল ফুকনৰপৰা যি আৰ্যধৰ্মী আৰু সেয়ে পোহৰমুখী মানসিকতাৰ ধাৰাটো অসমীয়া সমাজত এটা নতুন ৰূপত আধুনিক ৰূপত জাগৰিত হ'বলৈ ধৰিছিল তাক আমি এফালে আনন্দৰাম বৰুৱাৰপৰা কৃষ্ণকান্ত সন্দিকৈলৈকে পোৱা আৰ্যভাষাকেন্দ্ৰিক পাণ্ডিত্যৰ সাধনাৰ ধাৰাটোতো লক্ষ্য কৰিব পাৰোঁ। আনন্দৰাম ঢেকিয়াল ফুকনৰ পৰিয়ালৰ গুণাভিৰাম-জ্ঞানদাভিৰাম ব্ৰহ্মমুখী পথটোতো পাব পাৰোঁ— তৰুণৰাম ফুকনৰপৰা লক্ষ্মীধৰ শৰ্মালৈ পোৱা এটা 'আধুনিক' মনৰ ধাৰাতো পাব পাৰোঁ— লক্ষ্মীনাথ বেজবৰুৱাৰপৰা জ্যোতিপ্ৰসাদলৈ পোৱা আধুনিক অসমীয়া সাহিত্যৰ ধাৰাটোতো পাব পাৰোঁ।

এই মানসিকতাৰ পথটোৱে মূলতঃ একেটা আৰ্যতন্ত্ৰকে আশ্ৰয় কৰা বাবে খ্ৰীষ্টান ধৰ্ম, চুফীবাদী ইছলাম আৰু গীতা তথা ভাগৱত পুৰাণৰ মাজেৰে অহা বিষ্ণুকেন্দ্ৰিক বেদান্তৰ হিন্দুধৰ্ম ওচৰঘৰীয়া আত্মীয়তাৰ সম্পৰ্কতো জড়িত। মাধৱদেৱৰ—নামঘোষা, আজান পীৰৰ—জিকিৰ, ব্যপ্টিষ্ট মিছনৰ—বাইবেলক একেলগে ল'ব পৰাৰ আধুনিক

'লিবাৰেল' হিন্দু পথ এটাও সেয়ে আনন্দৰাম ঢেকিয়াল ফুকনৰপৰা ওলোৱা বেজবৰুৱাৰ যুগটোতে ওলাইছিল।

ভাৰতত আৰ্যধৰ্ম-আৰ্যসংস্কৃতি দুৰ্যোগৰ মাজৰপৰা যুগ এটাত— ব্ৰহ্মপুত্ৰ উপত্যকাত এটা শক্তিধৰ্মী শক্তিজীৱী মানসিকতাৰ প্ৰাবল্যৰ আন্ধাৰখিনিৰ যুগ এটাত— শঙ্কৰদেৱ আৰু মাধৱদেৱে যি আৰ্যধৰ্মৰ চাকিবোৰ জ্বলাই গ'ল— জ্বলাই ৰখাৰ ব্যৱস্থা কৰিলে— সাহসেৰে বীৰত্বেৰে, সিয়েই এটা অনুকূল যুগৰ আগমনত আনন্দৰাম ঢেকিয়াল ফুকনৰপৰা আনন্দৰাম বৰুৱা আদিৰ মাজেৰে গৈ সক্ৰিয় হৈছিল। লক্ষ্মীনাথ বেজবৰুৱা, কৃষ্ণকান্ত সন্দিকৈ, জ্যোতিপ্ৰসাদৰ যুগটোত তাৰ চাকিবোৰ এটা নতুন ৰূপত জ্বলি ৰৈছিল। যিখন অসমীয়া সমাজে এসময়ত শঙ্কৰদেৱ আৰু মাধৱদেৱক উলিয়াইছিল—যিখনে পিছত এই দুজন আনন্দৰামক উলিয়াইছিল, লক্ষ্মীনাথ বেজবৰুৱা আৰু জ্যোতিপ্ৰসাদ, বাণীকান্ত আৰু কৃষ্ণকান্ত, নলিনীবালা আৰু অমলপ্ৰভা দাসক উলিয়ালে সেইখন অসমীয়া সমাজৰ কালিকাটো এই আৰ্যধমী পথটোতহে আছে।

ঊনৈশ শতিকাৰ অসমৰ আধুনিক যুগটোৰ দুজন প্ৰথম আৰু গুৰুত্বপূৰ্ণ প্ৰতিনিধি হিচাপে আমি দুয়োজন আনন্দৰামকে ল'ব পাৰোঁ— আনন্দৰাম ঢেকিয়াল ফুকন আৰু আনন্দৰাম বৰুৱাক। আনন্দৰাম ঢেকিয়াল ফুকনৰপৰা আগবাঢ়ি গৈ আমি যেতিয়া আনন্দৰাম বৰুৱাক পাওঁগৈ তেতিয়া ঊনৈশ শতিকাৰ ভাৰত ইতিহাসত আৰু বিশ্ব ইতিহাসত ইতিমধ্যে উন্মোচিত হ'বলৈ ধৰা এটা বিশেষ তত্ত্বৰ গুৰুত্বটোও ভালদৰে উপলব্ধি কৰোঁগৈ। ই হ'ল মেক্সমূলাৰ আদি পছিমীয়া পণ্ডিতসকলৰ পথত আৱিষ্কৃত হোৱা 'আৰ্যভাষা' গোষ্ঠীৰ গুৰুত্বখিনিৰ তত্ত্ব। এই মেক্সমূলাৰসুলভ আধুনিক পথটোতে আমি পামগৈ আধুনিক যুগৰ ভাৰতৰ পঞ্চমজন আই. চি. এচ. আৰু বিদগ্ধ পণ্ডিত অসমীয়া আনন্দৰাম বৰুৱাক। 'সংস্কৃত' ভাষা হঠাতে বিশ্বত গুৰুত্বপূৰ্ণ হৈ পৰিছিল পৃথিৱীৰ আধুনিক যুগটোৰ ইতিহাসত— আৰ্যমূলীয় সমাজবোৰে ৰাজনৈতিক মুক্তি লাভ কৰাৰ লগতে আৰ্যমূলীয় ভাষবোৰৰ গুৰুত্বখিনিও আৱিষ্কৃত হোৱাৰ পথতেহে। ভাৰতৰ ৰেণেছাঁৰ প্ৰক্ৰিয়াটো—আধুনিক ভাৰতত চলা সাংস্কৃতিত নৱজাগৰণৰ প্ৰক্ৰিয়াটো ৰামমোহন ৰায়ৰপৰা আগবাঢ়ি ৰবীন্দ্ৰনাথ-বিবেকানন্দ-শ্ৰীঅৰবিন্দৰ মাজেৰে বিশেষভাৱে এই নৱাঙ্কৃত 'আৰ্যতত্ত্ব'টোৰ লগতো জড়িত আছিল। (ই কিন্তু কোনো বৰ্ণ বা ৰক্তৰ কেন্দ্ৰ কৰা তত্ত্ব নহয়)। এই আৰ্যধৰ্ম বা আৰ্যতত্ত্বকেন্দ্ৰিক 'আধুনিক' মানসিকতাৰ ধাৰাটোৱে অসমত আনন্দৰাম ঢেকিয়াল ফুকনৰ মাজতে তাৰ প্ৰথম তাৎপৰ্যপূৰ্ণ প্ৰকাশ লাভ কৰি আনন্দৰাম বৰুৱাৰ মাজেৰে গৈ কুৰি শতিকাৰ দ্বিতীয় দশকটোতে বাণীকান্ত কাকতি আৰু কৃষ্ণকান্ত সন্দিকৈৰ পাণ্ডিত্যৰ মাজেৰেও জিলিকি আছিল। বিশৰ দশকত সন্দিকৈয়ে মেক্সমূলাৰ আৰু আনন্দৰাম বৰুৱাৰ পথতে সক্ৰিয় হৈ গ্ৰীক, লাটিন, জাৰ্মান, ৰাচিয়ান আদি বিভিন্ন 'আৰ্যমূলীয়' ভাষাৰ চৰ্চা কৰিছিলগৈ।

তেওঁৰ যাত্ৰাৰ আৰম্ভণিটো হৈছিল সংস্কৃতেৰে। কাকতিয়ে 'আৰ্যধৰ্ম'ৰ গুৰুত্বটোৰ কথা ভালদৰে উল্লেখ কৰি গৈছে। বাঁহী যুগটোৰ শেষলৈকে (১৯০৯-১৯২৯) সেই 'আৰ্যধৰ্মী' আধুনিক মানসিক ধাৰাটো আধুনিক অসমীয়া সাহিত্য-সংস্কৃতিত সক্ৰিয় হৈ আছিল আৰু জ্যোতিপ্ৰসাদেই আছিল এই বিশেষ আধুনিকতাৰ অসমীয়া ধাৰাটোৰ শেষ গুৰুত্বপূৰ্ণ অসমীয়া প্ৰতিনিধি। দ্বিতীয় মহাযুদ্ধৰ মাজৰেপৰা অসমীয়া সাহিত্য-সংস্কৃতিত এনে আৰ্যধৰ্মী মানসিকতাৰ ধাৰাটো একপ্ৰকাৰে বিপৰ্যস্ত হয়। এটা নতুন ধৰণৰ যুগো আহিল।

অসমীয়া সমাজখনত আনন্দৰাম ঢেকিয়াল ফুকনৰপৰা আৰম্ভ হোৱা 'আধুনিক' মানসিকতাৰ যুগটো দুটা সূত্ৰত পুষ্ট হ'বলৈ ধৰিছিল। এই সূত্ৰ দুটাৰ লগত বঙ্গৰ ৰামমোহনৰপৰা ৰবীন্দ্ৰনাথলৈ পোৱা মনৰ ধাৰাটো সংযুক্ত হ'ব পাৰে যদিও এই দুটা সূত্ৰৰ গুৰুত্বৰ গভীৰ আধ্যাত্মিক উপলব্ধি সাধাৰণভাৱে শক্তিমুখী ধৰ্মৰ বঙ্গীয় 'বৰ্ণ হিন্দু' সমাজখনৰ সাধাৰণ মানসিকতাৰপৰাও দূৰতে ৰৈ গ'ল। এই কাৰণেই বঙ্গত ৰামমোহন-ৰবীন্দ্ৰনাথৰ আধুনিকতাৰ পথটো পিছত বিপৰ্যস্ত হয়। সংশ্লিষ্ট সূত্ৰ দুটাৰ এটা হ'ল কৃষক-সমাজক মুক্তি আৰু মৰ্যাদা দিয়া 'ৰায়তৱাৰী ব্যৱস্থা'ৰ গুৰুত্ব — যি জমিদাৰতন্ত্ৰী ব্যৱস্থাৰ প্ৰতিমুখী। আনটো হ'ল entrepreneurial spirit । আধুনিক চেতনাৰ এই উৎসটোকে অসমত জগন্নাথ বৰুৱা, মানিকচন্দ্ৰ বৰুৱা, ভোলানাথ বৰুৱা, লক্ষ্মীনাথ বেজবৰুৱা, চন্দ্ৰকুমাৰ আগৰৱালা, পাৰ্বতিপ্ৰসাদ বৰুৱা আদিয়ে আধুনিক যুগৰ অসমত প্ৰতিনিধিত্ব কৰিছিল। কৃষ্ণকান্ত সন্দিকৈ আৰু জ্যোতিপ্ৰসাদ আগৰৱালাও এই আৰ্যধৰ্মী পথৰে সন্তান আছিল।

আনহাতে দেখিম যে প্ৰাচীন আৰ্য যুগটোৰ সংকোচন তথা পতনৰ সময়ছোৱাত মধ্য প্ৰাচ্যৰ আৰৱী 'চেমিটিক' তথা তুৰ্ক মঙ্গোলীয় সমাজৰ ইছলামী শক্তিও পূবে-পছিমে বিজয়ী হৈ সম্প্ৰসাৰিত হৈছিল। সংকোচনৰ কালছোৱাত হিন্দুধৰ্মইও তাৰ আগৰ সৃষ্টিধৰ্মী 'আৰ্যধৰ্মী' একাধিক সুৰত হেৰুৱাইছিল।

> 'The story of Indian expansion and colonial conquests have become mere legends. The manifold activities of the Human mind which characterised the life of ancient India were reduced to dull ascetic grey at the advent of the middle ages.'
> (Humayun Kabir, studies in Bengali Poetry, p.25)

ভাৰতীয় উপনিষদীয় এহাতে বৌদ্ধ যুগ—গুপ্ত যুগৰ আৰ্যধৰ্মী পোহৰখিনি লুকাই পৰিছিল। আৰ্যপথটোৰ ব্যাখ্যাত সোমাই পৰিছিল— সেই যুগটোত শক্তিশালী হৈ পৰা ব্ৰাহ্মণ্যধৰ্মৰ পথতে মায়াবাদৰ শঙ্কৰাচাৰ্যী তত্ত্ব।

Neo-Brahminism had emphasized the doctrines of Maya and

চন্দ্ৰমুখী চেমিটিক আৰবীক পথেৰে ইছলামী শাসনে প্ৰাচীন আৰ্য হিন্দু সমাজক ৰাজনৈতিক ক্ষেত্ৰত শক্তিহীন কৰিছিল, কিন্তু আনহাতে ইছলামৰ প্ৰভাৱে হিন্দু ধৰ্মক তাৰ এইব্ৰাহ্মণ্যধৰ্মী গতিটোৰপৰা বিশেষকৈ নব্যব্ৰাহ্মণ্যবাদত ওলোৱা মায়াবাদৰ তত্ত্বটোৰপৰা মুক্তি পোৱাত সহায় কৰিছিল। বৈষ্ণৱ-আন্দোলন বা ভক্তি আন্দোলনৰ নেপথ্যত এই প্ৰক্ৰিয়াটোও আছিল। ইছলামৰ মাজতে অঙ্গীকৃত হৈ আছিল প্ৰধানকৈ আৰ্যমূলীয় চুফীবাদৰ ধাৰাটো আৰু এইটো ধাৰা বহুত দূৰলৈ প্ৰাচীন আৰ্য দৰ্শনৰ (তাৰ গ্ৰীক আৰু ভাৰতীয় সুঁতি দুটাৰ) পথৰে আছিল। ভাৰতত হিন্দু-মুছলমানৰ মিলনৰ পথ এটাও সেই আৰ্য দৰ্শনৰ ভেটিটোতহে সুলভ হৈ আছিল। গোড়া চেমিটিক আৰবীক পথৰ ইছলাম আৰু গোড়া তথা ব্ৰাহ্মণধৰ্মী হিন্দুবাদৰ দূৰত প্ৰধানভাৱে আৰ্যধৰ্মী মনৰ পথৰ চুফীবাদৰ পথতে বহুত মুছলমান লোক ভাৰতীয় সংস্কৃতিৰ সভ্যতাৰ পথটোৰ আত্মীয় আৰু প্ৰতিনিধি হৈ আহিছিল বুলি ক'ব পাৰি—

'Hindu thought modified the structure of Muslim thought even outside India, but naturally the impact was greatest here in India. *Sufism* had its basis in the teachings of the *Koran,* but the influence of Indian philosophy can be traced in many of its later developments. Christianity and Neo-Platonism were also elements that influenced Sufi thought, but the most powerful single factor from outside was the influence of Hindu religion thought and Buddhist philosophy.' (Humayun Kabir, *Studies in Bengali Poetry,* P.21)

ইছলাম তাৰ এই চুফীবাদী পথটোতে এহাতে ভাৰতীয় আৰ্যধৰ্ম আৰু আনহাতে পছিমীয়া আৰ্যধৰ্মৰ (প্লেট' আৰু খ্ৰীষ্টৰ পথৰ) এক বিশেষ আত্মীয় শক্তি হৈ আহিছে।

আনন্দৰাম ঢেকিয়াল ফুকনৰপৰা লক্ষ্মীনাথ বেজবৰুৱা, তৰুণৰাম ফুকন আদিৰ মাজেৰে-লক্ষ্মীধৰ শৰ্মাৰ মনৰ ধাৰাটোও আছিল এনে এটা আৰ্যধৰ্মী আৰু 'আধুনিক' হ'ব পৰা মনৰ ধাৰা। এই ধাৰাটোৰ প্ৰাধান্যৰ আধুনিক যুগত অসমত অসমীয়া মুছলমান সমাজখনৰপৰা ওলাইছিল বেজবৰুৱাৰ বন্ধু আই. মজিদ (যাৰ নামত বেজবৰুৱাই 'কদমকলি' পুথিখন উৎসৰ্গ কৰিছিল), মফিজুদ্দিন আহমেদ হাজৰিকা, মহম্মদ তৈয়াবুল্লা, ময়িদুল ইছলাম বৰা, জেহিৰুদ্দিন আহমেদ, ফকৰুদ্দিন আলি আহমেদ আদি।

ভাৰতবৰ্ষৰ আৰ্য দৰ্শনৰ পথটোতে চুফীবাদী ইছলামীৰ লগত উদাৰনৈতিক হিন্দুৰো মিলন হ'ব পাৰে, আনহাতে এই পথটোৰ দূৰতেই ৰয় আৰ্যতত্ত্বক গ্ৰহণ নকৰা প্ৰকৃতিৰ ইছলামবাদীসকল। এওঁলোক চন্দ্ৰমুখী 'আৰবী' পথৰ। দ্বিতীয় পথটোৰেই পাকিস্তান সৃষ্টি কৰা শক্তিজীৱী মিলিটেৰী সামন্তবাদৰ ইছলামবাদীসকলৰ পথ হৈছিল। ইছলামীসকলে

'একেশ্বৰবাদ'ক (যি মায়াবাদৰ শঙ্কৰাচাৰ্যী ব্যাখ্যাকো কাটে, শিৱশক্তিকো কাটে)। ইছলামীসকলৰ দৰেই ল'বলৈ আগবাঢ়িলে সেই 'আধুনিক' আৰু আৰ্য মানসিকতাৰে জয় হ'ব— য'ত হিন্দু-মুছলমান লগ লাগিব পাৰে— গণতন্ত্ৰৰ পথত। সেই যথাৰ্থ 'আধুনিক' মনটোও অসমৰ ইতিহাসত শক্তিশালী হ'ব য'ত হিন্দু-মুছলমানো মিলনৰ এটা যথাৰ্থ 'দাৰ্শনিক' ভেটিত (সুবিধাবাদৰ জাগতিক ৰাজনৈতিক ভেটিত নহয়) লগ লাগিব পাৰিব। এই পথ শঙ্কৰদেৱ আৰু আজানপীৰক একেলগে পাব পৰা পথ। এনে এক দৰ্শনৰ আধুনিক পথটো যেন আনন্দৰাম ঢেকিয়াল ফুকনৰপৰা লক্ষ্মীধৰ শৰ্মাৰ মাজেৰে তৈয়াবুল্লা আৰু ময়িদুল ইছলাম বৰাৰ মাজেৰে পোৱা আধুনিক যুগটোত পোৱা গৈছিল।

ভাৰতত ঊনৈশ শতিকাত যিটো 'আধুনিক' মনৰ যুগ আহিছিল— সিয়েই হৈছিল প্ৰাচীন ভাৰতীয় আৰ্য মনটোৰ নৱজাগৰণৰো যুগ শক্তিমুখী ব্ৰাহ্মণ্যবাদী হিন্দু মনটো য'ত পিছ হুহকি গৈছিল। এই ৰেনেছাঁচৰপৰা সাধাৰণতে শাসকধৰ্মী ঐতিহ্যৰ মুছলমান সমাজখনো বহুত দিনলৈ দূৰত ৰৈছিল তাৰ চন্দ্ৰমুখী চেমিটিক আৰবীক ইছলামী মানসিকতাৰ হেঁচাতে, কিন্তু মুছলমান সমাজখনকো এটা 'আধুনিক' মনৰ যুগলৈ নিবলৈ কিছুসংখ্যক মুছলমান বুদ্ধিজীৱীয়ে চেষ্টা কৰিছিল। পূব ভাৰতত ব্ৰহ্মপুত্ৰ উপত্যকাৰ ওচৰত পূৰ্ব বঙ্গৰপৰা ওলাইছিল হুমায়ুন কবীৰ আৰু কাজী আব্দুল ওদুদ। দুয়োজনেই পাকিস্তান-তত্ত্ব বৰ্জন কৰিছিল। ভাৰতত্ত্বক সমৰ্থন কৰা মানেই গভীৰ কাৰ্যক্ষেত্ৰত ভাৰতীয় সভ্যতাৰ কেন্দ্ৰীয় আৰু গভীৰ সত্য চুফীধৰ্মী আৰ্য তত্ত্বটোকে সমৰ্থন কৰাটো বুজায়। গ্যেটে আৰু ৰবীন্দ্ৰনাথৰ আৰ্য পথৰ পথিক পূৰ্ববঙ্গীয় কাজী আব্দুল ওদুদৰ প্ৰসঙ্গত পাওঁ—

> 'ধৰ্ম নিরপেক্ষ রাষ্ট্র ভারতবর্ষকে তিনি বসবাসের উপযুক্ত মনে করেছিলেন। সঙ্গত কারণে অন্নদাশঙ্কর রায় আগেই লিখেছিলেন, 'আর কারও পক্ষে নাহোক তাঁর মতো মানুষের পক্ষে পাকিস্তান হতো গোরস্থান। সেইজন্যে পাকিস্তানের বিবিধ প্রলোভন তিনি সবলে উপেক্ষা করেছেন।' (তরুণ মুখোপাধ্যায়, 'কাজী আব্দুল ওদুদ', পৃঃ১১)

'আধুনিক যুগ'ৰ মুক্ত মনৰ মুছলমান প্ৰতিনিধি যথাৰ্থ ৰূপত এই চৰিত্ৰৰে। আনন্দৰাম ঢেকিয়াল ফুকনৰপৰা লক্ষ্মীধৰ শৰ্মালৈ বহুত অসমীয়া হিন্দুৱেও মূলতঃ এনে আৰ্যধৰ্মী লিবাৰেল আধুনিক হিন্দু-মুছলমানৰ পথটোকে লৈছিল।

বঙলা ভাষাত ইতিহাসৰ প্ৰথম পুথিখন লিখিছিল এজন অসমীয়াই, হলিৰাম ঢেকিয়াল ফুকনে। সেইদৰে বঙলা ভাষাত আইনৰ প্ৰথম পুথিখনো লিখিছিল এজন অসমীয়াই— আনন্দৰাম ঢেকিয়াল ফুকনে। অসমীয়া ভাষা সেই সময়লৈকে গদ্য-সাহিত্যৰ ক্ষেত্ৰত ভট্টদেৱৰ গদ্য, 'কথাগুৰু চৰিত' আৰু 'বুৰঞ্জী'বোৰৰ মাজেৰে আগবঢ়া চৰিত্ৰৰে আছিল।

সামাজিক ৰীতি-নীতিৰ ক্ষেত্ৰতো অসমীয়া সমাজত প্ৰাচীন আৰ্যধৰ্মী মনটো শঙ্কৰদেৱ-মাধৱদেৱৰ পথত বহুদূৰলৈ আছিল— যিটো বঙ্গত লুপ্ত হৈছিল। 'আৰ্যিকা' শব্দটোৰপৰাই অহা 'আই' অসমীয়া সমাজতে এটা গুৰুত্বপূৰ্ণ শব্দ হৈ ৰৈছিল। প্ৰাচীন আৰ্যৰ 'ব্ৰহ্মচৰ্য' শিক্ষাৰ লগত ওলোৱা 'মেখলা' (কোমৰ বন্ধনী) শব্দটোৰপৰাই অসমীয়া নাৰীৰ 'মেখলা' ওলাইছিল। প্ৰাচীন আৰ্যৰ 'সত্ৰ' শব্দটো অসমীয়া সমাজতহে ৰৈছিল— বঙ্গত নহয়। অসমীয়া মহাপুৰুষীয়া বৈষ্ণৱ ধৰ্মৰ পথত থকা ধ্ৰুপদী পথৰ প্ৰাচীন আৰ্য সঙ্গীতৰ (প্ৰাক্ মোগলী যুগৰ) ঐতিহ্যৰ (বৰগীত, অঙ্কীয়া আৰু ভাওনা) বঙ্গীয় বৈষ্ণৱৰ পথটো নাছিল। অসমীয়াৰ 'জাতীয়' উৎসৱ তিনি বিহুও (বঙ্গীয় ব্ৰাহ্মণ্য হিন্দুৰ দুৰ্গা পূজাৰ বিপৰীতে) মূলতঃ আৰ্যৰে 'বিষুৱ' সংক্ৰান্তি আদি কথাৰ পথত। নাঙলটোৰ আৰু ভূমিৰ লগত সম্পৰ্ক থকা প্ৰাচীন আৰ্যমনৰ ঐতিহ্যটোও অসমতহে ৰৈছিল। বঙ্গীয় ব্ৰাহ্মণ্যধৰ্মীৰ দূৰৰ অসমীয়া জাতীয় ঐতিহ্যৰ আৰ্যধৰ্মী জাতীয় ঐতিহ্যৰ পথটো যে বেছি মূল্যৱান সেই চেতনাটোত নতুন অসমীয়া জাতীয় চেতনাৰ পথতে জাগৰিত হৈছিল।

'অসমীয়া' ভাষাৰ বিষয়েও এবিধ 'আধুনিক' চিন্তা আনন্দৰাম ঢেকিয়াল ফুকনেই আৰম্ভ কৰিছিল। যিহেতু ভাৰতৰ 'আধুনিক যুগটো' বিশেষকৈ ভাৰতত ৰামমোহন ৰায়ৰ সময়ৰেপৰা দেখা দিয়া আৰু ঊনৈশ শতিকাৰ মাজেৰে দেখা দিয়া আধুনিক যুগটো— উপনিষদীয় আৰু বৌদ্ধ পথৰ প্ৰাচীন ভাৰতীয় 'আৰ্য' যুগটোৰ পুনৰোদ্ধাৰ যুগো হৈছিল— ভাৰতৰ পূব প্ৰান্তত ৰৈ অসমীয়া সমাজখনে তাৰ বুকুৰ মাজত গোপন কৰি ৰখা প্ৰাচীন 'আৰ্য' সংস্কৃতিৰ ধাৰাটো নতুন পোহৰত আৱিষ্কাৰ কৰিব পৰা আৰু বুজিব পৰা এটা 'আধুনিক মন' অসমীয়া সমাজত বিশেষকৈ আনন্দৰাম ঢেকিয়াল ফুকনৰপৰা লক্ষ্মীনাথ বেজবৰুৱাৰ মাজেৰে জ্যোতিপ্ৰসাদলৈকে পোৱা আচল আৰ্যধৰ্মী যুগটোহে গৈ বিশেষভাৱেই জাগৰিত হৈছিলগৈ।

আনন্দৰাম ঢেকিয়াল ফুকনে গুৰুত্ব দিয়া এটা বিশেষ কথা আছিল অসমীয়া ভাষাৰ চৰ্চাৰ কথাটো। এই কথাটোৰ নেপথ্যটো আছিল এবিধ তুলনামূলক চিন্তা 'বঙ্গাল দেসতো আগেয়ে ভাল পুথি ন থকাত ঠায়ে ঠায়ে ইংৰাজি ভাসা শিকাইছিল, কিন্তু এতিয়া বাঙ্গালি লোকসকলে আপোনাৰ দেসৰ উপকাৰলৈ নানা ভাসা পাই নানাবিধ পুথি ৰচিছে। বাঙ্গালি লোকেও আগেয়ে ইংৰাজিক বিসেস আদৰ কৰিছিল, কিন্তু এতিয়া বাঙ্গালি লোকসকলৰ জতনত সেই ভাসা ভাল হোৱাত আটয়ে স্ৰধা কৰিব ধৰিছে।' (অসম দেসৰ লোকসকলৰ প্ৰতি নিবেদন পত্ৰ)।

ইংৰাজী ভাষাও যে চৰ্চাৰ যোগেদি এটা উন্নত চৰিত্ৰলৈ উঠিল সেই কথাটোও তেওঁ উল্লেখ কৰিছিল। চৰ্চাৰ (culture/cultivation) যোগেদি যে এটা ভাষাৰ শ্ৰীবৃদ্ধি

কৰিব পাৰি এই ভাবটোও আনন্দৰামে কলিকতাত হোৱা অভিজ্ঞতাৰপৰাই লাভ কৰিছিল। সেই চৰ্চা তথা কৃষ্টিৰ লগত মূলতঃ কৰ্ষণৰো সম্পৰ্ক।

আনন্দৰাম ঢেকিয়াল ফুকনৰ জন্ম হৈছিল ১৮২৯ চনত আৰু মৃত্যু হৈছিল ১৮৫৯ চনত। ১৮৫৯ চনৰ আগতেই তেওঁ দেখা কলিকতা নগৰৰ বিৱৰণত তেওঁ এঠাইত এই কথাখিনি লিখিছিল—

> 'কলিকতাৰ সিপাৰে বিশপৰ কলেজ নামে এখন পঢ়াশালি আছে আৰু নগৰতো প্ৰেসিডেন্সি কলেজ, সংস্কৃত কলেজ, হাইস্কুল ইত্যাদি অনেক পঢ়াশালি আছে, তাৰ দ্বাৰা কলিকতাবাসী ভালেমান বাঙ্গালীয়ে বিদ্যা শিকি সভ্য হ'ব লাগিছে, অলপ কালৰ মূৰতে কলিকতাৰ লোকসকলো সভ্যতাত ইউৰোপৰ মানুহবিলাকৰ সমান হ'ব।' (কলিকতা নগৰৰ বিৱৰণ)।

গতিকে আনন্দৰাম ঢেকিয়াল ফুকনে পোৱা কলিকতাখনত ইতিমধ্যে প্ৰেসিডেন্সি কলেজ, সংস্কৃত কলেজো আছিল। এই কলিকতাৰ ছবিখনেই আনন্দৰামৰ মনত এক আদৰ্শৰ প্ৰেৰণা হিচাপে ক্ৰিয়া কৰি আছিল। কলিকতাৰপৰাই তেওঁৰ মনে ইংলেণ্ডৰ ছবিখনলৈও গৈছিল ঃ

'ইংলেণ্ড দেসলৈ গৈ চোৱা গোটেইকেইখন দেসেই ফুলবাৰীৰ নিচিনা মনোহৰ'— 'দেসৰ ঠায়ে ঠায়ে হেজাৰে হেজাৰে পৰ্হাসালি গিয়ানৰ সভা'— এনে ছবিবোৰ মনৰ মাজত ৰাখিয়ে তেওঁ নিশ্চয় এনে কথাবোৰ লিখিছিল—'জি সময়ত অসম হাবি গুছি ফুলবাৰি হব, নৈত ডোঙা গুছি জাহাজ হব, ঘৰ বাঁহৰ গুছি সিল-ইটাৰ হব, গাঁৱে গাঁৱে হেজাৰ হেজাৰ পৰ্হাসালি, গিয়ানৰ সভা...।'

ইংলেণ্ডেই দেখুওৱা বিশ্ব ইতিহাসৰ আধুনিক যুগটোৰ পোহৰখিনি কলিকতাত যাৰ এটা পৰিচয় উজ্জ্বল হৈছিল—আনন্দৰামে অসমতো পাব বিচাৰিছিল।

আনন্দৰাম ঢেকিয়াল ফুকনৰ বাবে আদৰ্শ হিচাপে কলিকতাৰ ছবিখন আছিল আৰু তাৰে নেপথ্যত আছিল ইংলেণ্ডৰ ছবিখন। তেৱেঁই প্ৰথম অসমীয়া যি ভাৰতত আধুনিক শিক্ষা-দীক্ষাৰ জগতখনৰ প্ৰতিনিধিত্ব কৰা সেই সময়ৰ কলিকতা নগৰীয়ে ধৰি ৰখা আধুনিক যুগটোৰ—তাৰ পোহৰখিনিৰ বাৰ্তা অসমীয়া সমাজত প্ৰচাৰ কৰিছিল আৰু সমান্তৰালভাৱে ইংলেণ্ডৰ বিৱৰণ প্ৰচাৰ কৰিছিল।

> 'দুতিয়তে, হে মোৰ অসমীয়া মিত্ৰসকল, বিদ্যা জেনেকৈ ইহকালত উপকাৰক আন একো তেনে নাই, কিন্তু যদি সভ্য আৰু সুখী হ'ব খোজা, তেন্তে আৰু ক্ৰিসি আৰু সিল্প কৰ্মত ইংলেণ্ডৰ দৰে পাৰ্গত হবলৈ পুৰুষাৰ্থ কৰা। তোমালোকে নিচেই অ গিয়ান আৰু সেই বিদ্যাৰ ভূ নোপোৱা আৰু জানিবলৈকো মন নকৰা।'

কৃষি, শিল্প, বাণিজ্যৰ প্ৰাচীন ভাৰতীয় আৰ্য পথটোক ভাৰতৰ ইতিহাসত এহাতে

এবিধ নৱাগত শক্তিজীৱী শাসকবৰ্গই বহুত দিনৰেপৰা ছায়াম্লান কৰি ৰাখিছিল আৰু আনহাতে সেই শক্তিৰ তলতে গঢ় লোৱা সহযোগী ব্ৰাহ্মণধৰ্মৰ ঐতিহ্যটোৱেও বৌদ্ধ যুগত বৈশ্যৰূপী আৰ্যসকলৰ ধাৰাটোৱে এটা মুক্তিৰ পৰিৱেশ পাইছিল। কিন্তু শক্তিমুখী এবিধ নব্যক্ষত্ৰিয়ৰ সহযোগত চলা ব্ৰাহ্মণ্যধৰ্মৰ জাগৰণ আৰু উত্থানে তাক বিপৰ্যস্ত কৰিছিল। আচল আৰ্যধৰ্মৰ এনে পৰিস্থিতিতে ভাৰতত বিপৰ্যয় হয়।

'The word *'Arya'* comes from a word meaning to till and the Aryans as a whole were agriculturists and agriculture was considered a noble occupation...*There were no priviledged order of priests'.* (Jawaharlal Nehru, *The Discovery of India,*p.85).

+

'The word 'Aryan' implies one acquainted with the *processes of agriculture.*' (Sister Nivedita, *The web of Indian Life,* p.140).

+

The Aryan people were known as *'Vis'* Analogous to this was kristi.' (Buddha Prakash, *Political and Social Movement in Ancient Punjab, Ibid.* p.63)

+

'The *Rigveda* attached great importance to agriculture (*Krishi*) *which distinguish the* Arya.' (Radha Kumud Mukherjee, *Hindu Civilization,* Part p. 75).

পৃথিৱীত ভাৰতীয় সভ্যতা প্ৰধানত মূলতঃ আৰু গভীৰত এনে তাৎপৰ্যৰ। ভাৰতীয় সভ্যতা বিশেষভাৱেই সপ্তম শতিকামানৰ পৰাই (যেতিয়া ব্ৰহ্মপুত্ৰ উপত্যকাতো মঙ্গোলীয় উৎসৰ শালস্তম্ভী বংশ ক্ষমতালৈ আহিছিল) এনে এটা পৰিস্থিতিৰ মাজত সোমাই পৰিছিল—

'It is worth while to note the extremely shrunken dimensions of the share of the world remaining under Aryan control in the seventh and eight centuries. A thousand years before, the Aryan speaking races were triumphant over all the civilized world west of China. *Now the Mongol had thrust as far as Hungary, nothing of Asia remained under the Aryan rule except the* Byzantine dominions in Asia Minor and all Africa was lost and nearly all Spain.' (H.G. Wells, *A Short History*

পিছৰ কালৰ হিন্দু শাসক শ্ৰেণীটো এনে নতুন ঐতিহ্যত হৈছিল। এই অন্ধকাৰ যুগটোতে ভাৰতত ব্ৰাহ্মণ্যধৰ্মও সবল পৰাক্ৰমী হৈছিল! কিয়?

> 'The brahmin was a professional priest without parallel in Aryan tradition elsewhere.' (D.D. Kosami, *An Introduction to the Study of Indian History.'* p.99).

নতুন অনাৰ্য প্ৰভাৱেৰে সবল হোৱা ব্ৰাহ্মণ্য ধৰ্মইও ভাৰতত নাৰী আৰু আচল আৰ্যসকলক (হলধৰসকলক) এই যুগটোতে তললৈ ঠেলি দিছিল। ভাৰতৰ ইতিহাস ভালদৰে গভীৰভাৱে পঢ়া লোকে এই কথাটোও লক্ষ্য কৰিব যে ভাৰতবৰ্ষত যেতিয়া আচল আৰ্যধৰ্মৰ চৰিত্ৰটো বিশেষকৈ 'শক' 'হুন' দলৰ যুগটোৰপৰা বিকৃত আৰু ম্লান হৈ পৰিছিল, তেতিয়াৰপৰাই 'আৰ্যিকা' (অসমীয়াৰ 'আই' শব্দটো য'ৰপৰা আহিছিল) ঘাইকৈ মধ্যপ্ৰাচীয় এবিধ সংস্কাৰৰ অধীন হৈছিল। আনহাতে 'আৰ্যধৰ্মী' তথা আধুনিক মানসিকতাৰ প্ৰতিনিধি আনন্দৰাম ঢেকিয়াল ফুকনে এনে কথা লিখিছিল— 'ল'ৰা কি চোআলি দুয়োয়ে বিদ্যা সিকা উচিত, আৰু সাস্ত্ৰতো ইয়াৰ বিধান আচে। কিন্তু ভাৰতবৰ্ষৰ লোকসকলে এই মিচা কুব্জসৰ পৰা চোআলিবিলাকক পঢ়িবলৈ নিদিয়ে।'— *'অসম দেসৰ লোকসকলৰ প্ৰতি নিবেদন পত্ৰ।'* সেইদৰে আনন্দৰামৰ 'আৰ্যধৰ্মী' মানসিকতাৰ কণ্ঠস্বৰে এনে কথাও শুনাইছিল— 'ক্ৰিসি কৰম নে বাঢ়িলে বাণিজ্য ও নে বাৰ্হে, সেই নিমিত্তে দুইকো অনুসিলন কৰিবলৈ জতন কৰা।'— *'অসম দেসৰ লোকসকলৰ প্ৰতি নিবেদন পত্ৰ।'*

এয়া আছিল ব্ৰিটিছ যুগটোত ভাৰতত জাগৰিত হোৱা আৰ্যধৰ্মী তথা আধুনিক মানসিকতাৰ কণ্ঠস্বৰ 'ব্ৰাহ্মণ্যধৰ্মী' মানসিকতাৰ প্ৰতিমুখে। আচল 'আৰ্যধৰ্ম'ৰ লগত ব্ৰাহ্মণ্যধৰ্মৰ বিৰোধিতাখিনি কেনেকুৱা? 'ব্ৰাহ্মণ্য' ধাৰাটো আহিছিল আৰ্যযুগ—লৌহ যুগত বিকাশ লাভ কৰা আচল কৃষি সভ্যতাৰ যুগটোৰ পূৰ্বৰ এটা যুগৰপৰা। সেয়ে—

> "The Brahmanical writings of this period attack professions where technical knowledge was essential. Medhatithi regards handicrafts as low professions." (Romila Thapar, *A History of India,* p.255).

পিছে, এই কথাবোৰে 'ব্ৰাহ্মণ'কে আৰ্যধৰ্মী বুলি দেখুৱায়নে?

> "According to Baudhyana the Vedas and agriculture are destructive of each other. Manu said that the Brahmins and Kshatriyas must not engage themselves in 'vriddhi', i.e. the activities of production." (Debiprasad Chattopadhyaya, *Indian Philosophy,* p.54).

এইবোৰ কথা আচল বেদৰ আৰ্যধৰ্মী প্ৰাচীন ঐতিহ্যটোৰো ওলোটা ব্যাখ্যা হোৱা

নাছিলনে? উত্তৰ-পূব ভাৰতৰ ব্ৰহ্মপুত্ৰ উপত্যকাত শঙ্কৰদেৱ-মাধৱদেৱৰ মাজেৰে আৰু পিছত আনন্দৰাম ঢেকিয়াল ফুকনৰপৰা লক্ষ্মীনাথ বেজবৰুৱালৈ, লক্ষ্মীধৰ শৰ্মালৈ, জ্যোতিপ্ৰসাদ আগৰৱালালৈ যি আৰ্যধৰ্মী মানসিকতাৰ ধাৰাটো পাওঁ তাৰ প্ৰতিমূখেই পাম উত্তৰ-পূব ভাৰতৰ মঙ্গোলীয় জনজাতীয় ধৰ্ম ঐতিহ্যৰ শক্তিতন্ত্ৰক আশ্ৰয় কৰি অহা বহুত বৰ্ণহিন্দুৰে মাঙ্গলীয় তথা 'ব্ৰাহ্মণধৰ্মী' মানসিকতা। ইয়াৰ কাৰণ হ'ল এইটো—

"Brahmana, the tribal priest and magician" (A.L. Basham, *The Wonder That was India,* p. 241).

আনন্দৰাম ঢেকিয়াল ফুকনৰপৰা লক্ষ্মীধৰ শৰ্মালৈ কেনেধৰণৰ এবিধ আধুনিক মানসিকতাৰ সংগ্ৰাম এদল আধুনিক ব্ৰাহ্মণে চলাবলগীয়া হৈছিল এই কথাবোৰেও দেখুৱাব।

আনন্দৰাম ঢেকিয়াল ফুকনৰ কথাবোৰৰ নিচিনা কথা গুণাভিৰাম বৰুৱা, লক্ষ্মীনাথ বেজবৰুৱা, জ্ঞানদাভিৰাম বৰুৱাৰ পথৰ 'আধুনিক' অসমীয়া ব্ৰাহ্মণসকলৰ মনৰ কথা হৈ পৰিছিল। সেয়েহে লক্ষ্মীধৰ শৰ্মালৈকে বিশেষভাৱে পোৱা সেই 'আধুনিক' মানসিকতাৰ ধাৰাটোত শঙ্কৰদেৱ-মাধৱদেৱৰ 'আৰ্যধৰ্মী' মানসিকতাৰে বন্দনা চলিছিল।

"অসমীয়া বৈষ্ণৱ জগতত শঙ্কৰ আৰু মাধৱৰ মিলন এক অপূৰ্ব বস্তু। ধীৰ শান্ত শঙ্কৰৰ কাৰ্য অপূৰ্ণ থাকিলহেঁতেন, যদি এই তপস্বী যুৱক আহি তেওঁৰ পৱিত্ৰ মতৰ ভাৰখন নিজৰ কান্ধত তুলি নললেহেঁতেন। মাধৱৰ একাগ্ৰতা, ধীশক্তি, জ্ঞান আৰু উদ্যমেই 'তান্ত্ৰিক আসাম বৈষ্ণৱ আসাম কৰি গ'ল।' (লক্ষ্মীধৰ শৰ্মা, '*মাধৱদেৱ*')"

বহুত বৰ্ণহিন্দুৱে ভাৰতত প্ৰতিনিধিত্ব কৰি অহা মনটোৰপৰা দূৰত থকা এটা মনৰ কথা এয়া। আনহাতে অসমত ব্ৰহ্মপুত্ৰ উপত্যকাত হিন্দু ধৰ্মত সেই 'তান্ত্ৰিক' মানসিকতা থকা ধাৰাটো যে 'মঙ্গোলীয়' সমাজৰ প্ৰভাৱতে সক্ৰিয় হৈছিল সেই কথাটো সূৰ্যকুমাৰ ভূঞা আদিয়েও দেখুৱাই গৈছে। মুঠতে সেই মানসিকতাৰ ধাৰাটো যে আচল আৰ্যধৰ্মৰ পথৰ মানসিকতা নাছিল সেইটো স্পষ্ট। তন্ত্ৰ তথা তান্ত্ৰিকতাৰ পথটোৰ মূলত আছে 'শক্তি' বিচৰা এটা মন— 'সত্য', 'সৃষ্টি' আৰু 'প্ৰেম' বিচৰা আচল আৰ্যধৰ্মী মনটো নহয়। আনন্দৰাম ঢেকিয়াল ফুকনৰ মন হৈছিল আৰ্যধৰ্মী মন।

ভাৰতৰ স্বাধীনতা আন্দোলনৰ পৰ্ববোৰৰ মাজেৰে বহুত ভাৰতীয়ৰে চিন্তা প্ৰধানভাৱেই 'ৰাজনৈতিক শক্তি' তথা ৰাজনৈতিক যুদ্ধকেন্দ্ৰিক হৈ পৰাত ১৯০৫ চনৰ আগলৈকে জন্মগ্ৰহণ কৰা এবিধ অসমীয়াৰ মনত উজ্বল হোৱা সেই আচল আধুনিক মানসিকতাৰ ধাৰাটো পিছৰ জেনেৰেচনবোৰত ম্লান আৰু শেষত চল্লিশৰ দশকৰ 'যুদ্ধ' আৰু বিপ্লৱৰ মাজেৰে কিছুমান ক্ষেত্ৰত বহুত দুৰ্বলৈ বিপৰ্যস্ত হৈ পৰে। আধুনিক অসমীয়া সাহিত্য-সংস্কৃতিত জ্যোতিপ্ৰসাদৰ পৰৱৰ্তী পৰ্বটোত এই প্ৰক্ৰিয়াটোৰ অশুভ চৰিত্ৰটোও গোপন-অগোপন সক্ৰিয় হ'ল।

এই কথাটোও গুৰুত্বপূৰ্ণ—

> "Vedic culture was closely associated with knowledge of the solar calender providing among other things, a more effective control over agricultural processes." *(Ibid,* p.13)

অৰ্থাৎ বৈদিক আৰ্যও আছিল সূৰ্যমুখী। এয়া চন্দ্ৰধৰ্মী পথৰ অনাৰ্য দ্ৰাবিড়ী কৃষিপন্থা নাছিল। চন্দ্ৰমুখী ব্ৰাহ্মণ্যধৰ্ম তথা তন্ত্ৰধৰ্মৰ বিপৰীতে সেই সূৰ্যকেন্দ্ৰিক বৈদিক আৰ্যধৰ্মীৰ ঐতিহ্যটো আছিল। ডি.ডি. কোশাম্বীৰ মতেই সেয়ে আৰ্যপথত নাঙলৰ জয় হৈছিল। সেই 'নাঙল' পিছে দ্ৰাবিড়ীৰ দান নে? সেয়ে এই ক্ষেত্ৰতো বেদৰ ক'ৰবাত থকা Proto-Dravidian loanwords এও কেৱল প্ৰাক্-নাঙল যুগৰ নব্যযুগৰ কৃষি কাৰ্যৰে পৰিচয় বহন কৰিব।

আনহাতে ভাৰতীয় ঐতিহ্যতে যে 'আৰ্য' শব্দটো 'বৰ্ণ' আৰু 'ৰক্ত'ৰ সূত্ৰৰ তাৎপৰ্যৰ সূত্ৰ নহয়— বহুত কথাই দেখুৱাব। গতিকে 'আৰ্য' শব্দই ভাৰতত নাজিবোৰৰ জঘন্য প্ৰজাতি তন্ত্ৰটো কেতিয়াও বুজাব নোৱাৰে।

ভাৰতীয় 'আৰ্য' সভ্যতাত ভূমিৰ ক্ষেত্ৰত ব্যক্তিগত সম্পত্তিও গুৰুত্বপূৰ্ণ হৈছিল—

> "It is suprising that references to *private property* in land should have been overlooked" (Romila Thapar, *Interpreting Early India,* p.14)

আনহাতে মাৰ্ক্সে উলিওৱা "Asiatic mod of production" তত্ত্ব আৰু আগৰ Oriental despotism অৰ তত্ত্বক (যি দুটা মধ্যপ্ৰাচ্যৰ ক্ষেত্ৰত চীন-জাপানৰ ক্ষেত্ৰত প্ৰযোজ্য) এবিধ চকু মুদি থকা আধুনিক পণ্ডিতে ভাৰতীয় সভ্যতাৰ এই প্ৰাচীন ভেটিটোৰ ক্ষেত্ৰতো প্ৰয়োগ কৰিবলৈ ধৰিলে। গতিকে প্ৰাচীন গণতন্ত্ৰী ভাৰতীয় 'আৰ্য' ধাৰাটো—যিটো বৌদ্ধ যুগৰ নেপথ্যতো আছিল—বহুতো আধুনিক পণ্ডিতে এতিয়ালৈকে দেখা পোৱা নাই।

ব্ৰিটিছ যুগত প্ৰাচীন ভাৰতীয় ইতিহাসৰ ব্যাখ্যাৰ ক্ষেত্ৰত এবিধ ইংৰাজী ইতিহাসবিদে (প্ৰথমজন মিল আৰু মেকলেই) এটা ভুল বস্তু জাপি দিছিল— Oriental despotism অৰ তত্ত্ব।

> "Central to this view the pre-modern history of India, and implicit in Mill's History, was the theory of Oriental Despotism. The genesis of this theory probably goes back to the despotic government of the Persians...The Crusades and the ensuing literature on the Turks doubtless, strengthened the notion of the all powerful despotic, oriental potentate." (Romila

Thapar, *Interpreting Early Indian,* p.6)

ভাৰতৰ ইতিহাসৰ প্ৰাচীন আৰ্যযুগটোৰ ক্ষেত্ৰতো জাপি দিয়া হৈছিল ভূমিৰ ক্ষেত্ৰত 'ব্যক্তিগত সম্পত্তি' নথকাৰ এটা তত্ত্ব।

আনহাতে প্ৰাচীন ভাৰতীয় আৰ্যযুগৰ 'গণতন্ত্ৰী' গ্ৰাম-সমাজৰ কথাটোও ঢাকিব পৰা নাযায়। সেইটোও ওলাই পৰিছিল নতুন গৱেষণাৰ পথতে—শঙ্কৰদেৱৰ যুগৰ ভাৰতীয় 'ভক্তি' আন্দোলনটোও তেনে প্ৰাচীন ভাৰতীয় 'আৰ্য' ধাৰাটোৰে এক নৱজাগৰণ নাছিল নে? শক-হুন-ৰাজপুত-আহোম-তুৰ্ক আৰু ব্ৰাহ্মণ্যবাদীৰ পথৰ বৰ্ণ হিন্দুৰ অনাৰ্যধৰ্মৰ পথটোৰ প্ৰতিমুখে? অতি দুখৰ কথা যে ভাৰতত যিমানেই আধুনিক ভাৰতৰ ইতিহাসৰ চৰ্চা ভাৰতীয় প্ৰাচীন কৃষি সভ্যতাৰ ঐতিহ্যটোৰপৰা বিচ্ছিন্ন হৈ পৰা (আৰু 'মিলিটেৰি' জং বাহাদুৰ, ৰাণা, থাপাৰ, সিং, স্বৰ্গদেউ, ফুকন জাতীয় অফিচাৰ শ্ৰেণী এটাৰ) নিচিনাই হৈ পৰা এবিধ নতুন মধ্যবিত্ত নাগৰিক শ্ৰেণীৰ সন্তানবোৰৰ হাততেই পৰিল— সিমানেই এই অতি গুৰুত্বপূৰ্ণ কথাবোৰ হয় লুকাই পৰিল নহয় অনাবিষ্কৃত হৈ ৰ'ল, নহয়— দেখিও নুবুজা এবিধ 'বুদ্ধিমান' পণ্ডিতৰ ওলোটা ব্যাখ্যাৰ যাদুত অৰ্থহীন হৈ পৰিল। □□

(প্ৰথম আনন্দৰাম ঢেকিয়াল ফুকন স্মাৰক বক্তৃতা। ২৪ ছেপ্টেম্বৰ ২০০২)